(খ) ক'লাৰ উপাদান (Elements of Design) ঃ

এখন কাপোৰ বা এযোৰ পোছাকৰ সৌন্দৰ্য বৃদ্ধি কৰিবলৈ হ'লে প্ৰথমে ক'লাৰ উপাদানসমূহৰ বিষয়ে জানিব লাগিব আৰু সেইবোৰৰ সু-প্ৰয়োগৰ যোগেদি কাপোৰৰ পৰা এযোৰ সুন্দৰ পোছাক তৈয়াৰ কৰিব পাৰি।

এই উপাদানসমূহ হ'ল— ৰেখা, আকাৰ, ৰং আৰু মসৃণতা।

(i) ৰেখা (Lines) ঃ পোছাক প্ৰস্তুত কৰাত ৰেখাই এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। কিয়নো কাপোৰ এযোৰ তৈয়াৰ কৰোঁতে বিভিন্ন অংশসমূহ সংযোগ কৰিবলগীয়া হয়। তেতিয়া বহুত ৰেখা যেনে— সিয়নিত, বাহুত, হাতত, বুকুত, ডিঙি, কলাৰ আদি নানান অংশ ওলায়। আমাৰ চকু ৰেখাৰ দিশতেই গতি কৰে আৰু দেহৰ উচ্চতা প্ৰস্থতা বঢ়াই বা কমাই। যেনে— দীঘলীয়া ৰেখাৰ যোগেদি ব্যক্তিক ওখ আৰু পথালি ৰেখাৰ যোগেদি শকত বা প্ৰস্থ দেখুৱাব পাৰি। অৰ্থাৎ এজন চাপৰ মানুহক দীঘল ৰেখাৰ যোগেদি ওখ, ক্ষীণ আনহাতে এজন ওখ, ক্ষীণ মানুহক পথালি ৰেখাৰ যোগেদি চাপৰ দেখুৱাব পাৰি।



দীঘল ৰেখাৰ প্ৰয়োগ


পথালি ৰেখাৰ প্ৰয়োগ

চিত্ৰ —১ ৰেখাৰ প্ৰয়োগ

**(ii) আকাৰ (Shape) :** পোছাকত আকাৰ আৰু ৰেখাৰ সংযোগ পোৱা যায়। যেতিয়া এযোৰ কাপোৰৰ পোছাক তৈয়াৰ কৰা হয়, তেতিয়া ডিঙিৰ আকাৰ, ইয়ক, কলাৰ, জেপ, লেছ, কঁকাল আদি ৰেখাত কৰা হয় আৰু এনে ধৰণেৰে আকাৰ বা আকৃতি দিয়া বা ব্যৱহাৰ কৰা হয় যাতে দেহৰ আঁসোৱাহ পূৰ্ণ অংশটো ঢাকি, আকৰ্ষণীয় ৰূপত দাঙি ধৰিব পাৰি।

**ডিঙিৰ ৰেখা (Neck line) :** ডিঙিৰ ৰেখাৰ যোগেদি মুখ আৰু ডিঙিৰ আকৃতি আকৰ্ষণীয় আৰু আঁসোৱাহ পূৰ্ণ অংশ ঢাকি ৰাকিব পাৰি। 'V' ডিঙিৰ পোছাকে ক্ষীণ, চৰ্তুভূজ আকাৰৰ ডিঙিৰ পোছাকে বহল আৰু ঘূৰণীয়া আকাৰত ডিঙিৰ পোছাকে মুখখন ঘূৰণীয়া দেখায়। যিবোৰ ব্যক্তিৰ মুখখন সৰু তেনে লোকৰ পোছাকৰ ডিঙিটো চৰ্তুভুজ আকাৰৰ হোৱাটো বেছি ভাল দেখি। আনহাতে যাৰ ডিঙিটো চুটি তেনে লোকক 'V' ডিঙিৰ পোছাকে বেছি শুৱায়।



চিত্ৰ —২ ডিঙিৰ ৰেখা (Neck line) ৰেখাৰ প্ৰয়োগ

**(iii) মসৃণতা (Texture) :** কাপোৰৰ মসৃণতা বুলিলে কাপোৰখনৰ উপৰিভাগৰ বিষয়ে যেনে মিহি, খহটা, কোমল,ডাঠ বা পাতল, উজ্জ্বল বা শেতা (Dull) আদি দিশবোৰ বুজায়, যিটো মানুহে অনুভৱ কৰে। কাপোৰৰ এনে বৈশিষ্ট্যবোৰ নিৰ্ভৰ কৰে সূতাৰ পাক, বোৱন আৰু সম্পূৰ্ণকৰণ পদ্ধতিৰ ওপৰত। সাধাৰণতে যিকোনো কাপোৰৰ তিনি ধৰণৰ মসৃণতা থাকে। যেনে— ডাঠ আৰু খহটা, মধ্যমীয়া, কোমল, মিহি, চিকমিকনি থকা ইত্যাদি।

কাপোৰৰ উপৰিভাগৰ মান বা মসৃণতাত বেলেগ

বেলেগ ধৰণৰ প্ৰভাৱ আছে। যেনে যি কাপোৰৰ উপৰিভাগত চিকমিকনি আছে বা মিহি, তেনে কাপোৰে পোহৰত ৰশ্মি প্ৰতিফলিত কৰে আৰু ডাঙৰ আহল-বহল দেখি। আনহাতে খহটা হ'লে পোহৰ শোষণ কৰে, ফলত চুটি বা ঠেক দেখায়। যিবোৰ কাপোৰ মিহি, কোমল, তেনে কাপোৰৰ পৰা গৰমৰ দিনত পিন্ধা পোছাক বনোৱা হয়। আনহাতে ডাঠ আৰু খহটা কাপোৰৰ ঠাণ্ডা বা শীতকালত পিন্ধা কাপোৰ তৈয়াৰ কৰা হয়।

এখন পাটৰ কাপোৰ আৰু এখন উলৰ কাপোৰৰ উপৰিভাগ একে জানো? নহয়, পাটৰখন মিহি, উণৰখন খহটা, অৰ্থাৎ প্ৰত্যেক কাপোৰৰ মসৃণতা বেলেগ।

**(ঘ) ৰঙ (Colour) ঃ** কাপোৰৰ আন এক উপাদান হ'ল ৰঙ, যাৰ সহায়ত কাপোৰৰ সৌন্দৰ্য আকৰ্ষণীয় কৰি তুলিব পাৰি। পোছাকৰ ৰঙে ব্যক্তিৰ ব্যক্তিত্ব প্ৰতিফলিত কৰে আৰু বৃদ্ধি হোৱাত সহায় কৰে। পোছাকৰ ৰঙৰ সঠিক নিৰ্বাচনে, ব্যক্তিৰ আত্মবিশ্বাস বঢ়ায়।

**ৰঙৰ বৈশিষ্ট্য ঃ** ৰঙৰ তিনিটা বৈশিষ্ট্য আছে—

(ক) হিউ— ৰঙৰ নাম।

(খ) গাঢ়তা

(গ) গভীৰতা

**(ক) হিউ (Hue) ঃ** ৰঙৰ ডাঠ বা পাতল বুজোৱাক গাঢ়তা বোলা হয়। মূল ৰঙৰ লগত বগা মিহলাই সেই ৰঙক পাতল কৰিব পাৰি যাক টিণ্ট (tint) বোলে। আনহাতে কলা মিহলাই ডাঠ বা কাঢ়া কৰিব পৰা যায় যাক shade বোলা হয়। বগাৰ পৰা কমসংখ্যক আৰু কলাৰ পৰা সৰহ সংখ্যক shade

ৰ পাব পাৰি।

ৰ (খ) গাঢ়তা ঃ যিকোনো ৰঙৰ গাঢ়তা ডাঠ

পাতল আদিৰ দ্বাৰা বুজোৱা হয়। প্ৰত্যেক ৰঙৰ বিভিন্ন

ধৰণৰ গাঢ়তা থাকে। যেনে— নীলা, পাতল নীলা

(আকাশী নীলা) ঘন নীলা বা নীলৰ দৰে নীলাৰ

বিভিন্ন গাঢ়তা পোৱা যায়।

(গ) গভীৰতা (**Intensity**) ঃ ৰঙৰ উজ্জ্বলতা

বা কমনীয়তাক গভীৰতা বুলি জনা যায়। উজ্জ্বল ৰঙৰ

গভীৰতা পাতল ৰঙৰ গভীৰতাতকৈ বেছি।